# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-07-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
-------------------

১।	সাংসদ অজিত কুমাৰ ভূঞাৰ সাংসদ এলেকা উন্নয়ন পুঁজি কেলেংকাৰিৰ গোচৰৰ আনুষ্ঠানিক বিচাৰ প্ৰক্ৰিয়া আজি আৰম্ভ।

২।	আলফা স্বাধীনৰ বিৰুদ্ধে চলোৱা অভিযানত চৰাইদেউ জিলা আৰক্ষীৰ যোৱা দুদিনত ১০জন লিংকমেনক গ্ৰেপ্তাৰ।

৩।	স্বনামধন্য কবি, শিশু সাহিত্যিক, ঔপন্যাসিক নৱকান্ত বৰুৱাৰ পুন্য তিথি উপলক্ষে আজি শ্ৰদ্ধা নিবেদন।

৪।	বড়ো ভাষাক সম ভাষিক অধিকাৰ আৰু মৰ্যাদা প্ৰদানৰ দাবীৰে এবছুৰ স্মাৰক পত্ৰ দাখিল।	*আৰু*

৫।	লৰ্ডছ্ ক্ৰিকেট টেষ্টত ভাৰত নিশ্চিত পৰাজয়ৰ সন্মুখীন।

00000

সাংসদ অজিত কুমাৰ ভূঞাৰ বিৰুদ্ধে সাংসদ এলেকা উন্নয়ন পুঁজি কেলেংকাৰিৰ গোচৰৰ আনুষ্ঠানিক বিচাৰ প্ৰক্ৰিয়া আজিৰে পৰা বিশেষ ন্যায়াধীশৰ আদালতত আৰম্ভ হৈছে। সেই অনুসৰি আজি অভিযুক্ত নিলম্বিত অতিৰিক্ত আয়ুক্ত শৰ্মিষ্ঠা বৰা, সহকাৰী আয়ুক্ত হেমন্ত কুমাৰ দত্ত, অভিযন্তা দিগন্ত কলিতা আৰু নিৰ্মাণ সমিতিৰ বিষয়ববীয়া বিশ্বজিৎ ডেকাক বিশেষ আদালতত হাজিৰ কৰোৱা হয়। আদালতে আজি চাৰিওগৰাকী অভিযুক্তৰ জামিন মঞ্জুৰ কৰে। উল্লেখযোগ্য যে সাংসদ এলেকা উন্নয়ন পুঁজিৰ কেলেংকাৰি সন্দৰ্ভত মুখ্যমন্ত্ৰী তদাৰকী কোষে ১৩ জন অভিযুক্তৰ বিৰুদ্ধে আদালতত অভিযোগনামা দাখিল কৰিছিল। এনে অভিযোগনামাৰ ভিত্তিত আদালতে ইতিমধ্যে ১২ জনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। ৰাজ্যসভাৰ অধ্যক্ষৰ পৰা প্ৰয়োজনীয় অনুমোদন লাভ নকৰাৰ বাবে সাংসদ অজিত কুমাৰ ভূঞাৰ বিৰুদ্ধে আদালতত এই পৰ্যন্ত গোচৰ লোৱা নাই বুলি অধিবক্তাই জনাইছে। মুখ্যমন্ত্ৰী তদাৰকী কোষে অভিযোগনামা দাখিল কৰা অভিযুক্তসকলৰ ভিতৰৰ পাঁচজন চৰকাৰী বিষয়া আৰু বিভিন্ন নিৰ্মাণ সমিতিৰ বিষয়ববীয়া আৰু সদস্য আছে।

আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনোৱা মতে সাংসদ এলেকা উন্নযন পুঁজিৰ অধীনত কামৰূপ মহানগৰ জিলাত ৪৪টা পথ নিৰ্মাণৰ আঁচনি লোৱা হৈছিল আৰু ইয়াৰ ভিতৰত ২২খন আঁচনিৰ কাম সম্পূৰ্ণ হয়। ইপিনে, ১৭ খন আঁচনিৰ কামৰ কোনো তথ্য লাভ কৰা নহ'ল বুলি মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ তদন্তত প্ৰকাশ পাইছে।

00000

চৰাইদেউ জিলা আৰক্ষীয়ে আলফা স্বাধীনৰ বিৰুদ্ধে অভিযান চলাই যোৱা দুদিনত ১০জন লিংকমেনক গ্ৰেপ্তাৰ কৰিছে। পূৰ্বে আটকাধীন আলফাৰ লিংকমেনৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে এই

অভিযান চলায়। সমাগত স্বাধীনতা দিৱসত সম্ভাব্য কূটাঘাত ৰোধৰ লক্ষ্যৰে আৰক্ষীয়ে এই অভিযান তীব্রতৰ কৰি তুলিছে। গ্রেপ্তাৰ হোৱা লিংকমেনসকল হৈছে চৰাইদেউ জিলাৰ সোণাৰিৰ হেল্কাটুপৰ শংকু দাস, চিৰাজউদ্দিন আলী, ইমৰাণ আলী, সুৰজিত দে, কামৰূপ জিলাৰ জালুকবাৰীৰ অসীম অধিকাৰী, দৰং জিলাৰ ছিপাঝাৰৰ ধৰ্মেন্দ্ৰ ডেকা, ওদালগুৰিৰ ধ্ৰুৱজ্যোতি বৈশ্য আৰু বলেন ডেকা আৰু নাগালেণ্ডৰ আহম কন্যাক আৰু য়েটৱাং কন্যাক। আটক কৰা লিংকমেনসকলৰ পৰা তথ্য সংগ্ৰহৰ বাবে আৰক্ষীয়ে সোধাপোচা অব্যাহত ৰাখিছে। নিষিদ্ধ ঘোষিত সংগঠনটোৰ কাৰ্যকলাপ নিষ্ক্ৰিয় কৰি ৰাজ্যখনৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লক্ষ্যৰে ভৱিষ্যতেও এই অভিযান চলি থাকিব বুলি চৰাইদেউ জিলাৰ উপ-আৰক্ষী অধীক্ষক গজানন্দ শৰ্মাই প্ৰকাশ কৰিছে। .................. **-ৰাইট-**

০০০০০

স্বনামধন্য কবি, শিশু সাহিত্যিক, ঔপন্যাসিক নৱকান্ত বৰুৱাৰ পুন্য তিথি উপলক্ষে আজি শ্ৰদ্ধা নিবেদন কৰা হৈছে। অসমীয়া আধুনিক কবিতাৰ নৱজাগৰণৰ বাহকৰূপে সন্মানিত বৰুৱাৰ কবিতাসমূহ জীৱনৰ ৰহস্য আৰু উপলব্ধি, প্ৰেমৰ অনুকম্প প্ৰকাশ আৰু পৃথিৱীৰ প্ৰতি ভাল পোৱাৰে সমৃদ্ধ। তেওঁৰ ভাৱ আৰু ভাষাই সাম্প্ৰতিক সময়তো জনমানসক আলোড়িত কৰে। বিশিষ্ট আবৃত্তিকাৰ অৰনী বৰাৰ কণ্ঠত এয়া কবিগৰাকীৰ কবিতাৰ কিয়দাংশ—-

## কবিতা (১)

আধুনিক অসমীয়া কবিতাক অনন্য মাত্ৰা প্ৰদান কৰি যোৱা কবিগৰাকীৰ কবিতাসমূহত জীৱনৰ অনুপম সৌন্দৰ্য, মৃত্যু ৰহস্য আৰু প্ৰেমৰ অনন্য ৰূপ প্ৰতিভাত হৈছে।

## কবিতা (২)

হে অৰণ্য, হে মহানগৰ, ৰত্নাকৰ, এটি দুটি এঘাৰটি তৰাকে ধৰি কেইবাখনো কাব্য সংকলন ৰচনা কৰা বৰুৱাৰ ককাদেউতাৰ হাড় উপন্যাসখনে ১৯৭৫ চনত সাহিত্য একাডেমী বঁটা লাভ কৰে। ইয়াৰ ১৯৭৪ চনত অসম প্ৰকাশন পৰিষদ বঁটা লাভ কৰে। ১৯৯৩ চনত অসম উপত্যকা সাহিত্য বঁটা, ১৯৯৮ চনত কমল কুমাৰী বঁটাৰ লগতে ১৯৭৬ চনত পদ্মভূষণ সন্মানেৰে তেওঁ সন্মানিত হৈছিল। কেইবাখনো মননশীল প্ৰৱন্ধ সংকলন, অনুবাদ সাহিত্য, নাটক আৰু বিশেষকৈ শিশু মনস্বত্ব উপলব্ধি কৰি লিখা শিশু ৰচনাসমূহে সাহিত্যিকগৰাকীৰ অসমীয়া সাহিত্যলৈ বহুমুখী অৱদানকে প্ৰতিফলিত কৰে। ১৯৯০ চনত অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকিত কৰা সাহিত্যিকগৰাকীৰ ২০০২ চনৰ ১৪ জুলাইত মৃত্যু হৈছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাহিত্যিকগৰাকীৰ পুন্য তিথি উপলক্ষে আজি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে অসমীয়া ভাষা-সাহিত্যৰ উজ্বল নক্ষত্ৰস্বৰূপ নৱকান্ত বৰুৱাৰ গীত-কবিতা তথা সাহিত্যৰ অন্যান্য ৰচনাসমূহে জনসাধাৰণৰ মনত বিশেষভাৱে সাঁচ বহুৱাইছিল বুলি মন্তব্য কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰৰ লোকসেৱা ভৱনত এখন বৈঠকত অংশ লৈ ছেপ্তেম্বৰত হ'বলগীয়া স্বাস্থ্য শিবিৰৰ প্ৰাৰম্ভিক প্ৰস্তুতিৰ বুজ লয়। তেওঁ সংশ্লিষ্ট বিষয়াসকলক এই শিবিৰৰ বাবে সকলো কাম নিয়াৰিকৈ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে ১৮ বছৰ অনূৰ্ধ ল'ৰা-ছোৱালীৰ বাবে ৰাজ্যজুৰি ছেপ্তেম্বৰত বৃহৎ স্বাস্থ্য শিবিৰ মুকলি কৰাৰ পৰিকল্পনা কৰিছে। এই শিবিৰত হৃদৰোগ, স্নায়ুৰোগ,

জেনেটিক ৰোগ, যকৃৎ তথা বৃক্ক ৰোগ, চকু, কাণৰ ৰোগকে ধৰি ৫০ বিধ ৰোগ চিনাক্ত কৰি যাৱতীয় ব্যৱস্থা লোৱা হ'ব।

০০০০০

নিৰ্বাচনী ব্যৱস্থা আৰু ন্যায়িক নিযুক্তিৰ ক্ষেত্ৰত বড়ো ভাষাক সম ভাষিক অধিকাৰ আৰু মৰ্যাদা প্ৰদানৰ দাবীৰে সদৌ বড়ো ছাত্ৰ সন্থা- এবছুৱে আজি ৰাজ্যিক নিৰ্বাচন আয়োগ আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ক দুখন স্মাৰক পত্ৰ দাখিল কৰে। সংগঠনটোৱে ৰাজ্যিক নিৰ্বাচন আয়োগক দাখিল কৰা স্মাৰক পত্ৰত বিটিচিৰ ভোটাৰ তালিকা অসমীয়াৰ লগতে বড়ো ভাষাতো প্ৰকাশৰ বাবে দাবী জনায়। গুৱাহাটী উচ্চ ন্যায়ালয়ক প্ৰদান কৰা আনখন স্মাৰক পত্ৰত এবছুৱে ন্যায়ালয়ৰ অধীনৰ নিযুক্তি পৰীক্ষাসমূহত বড়ো ভাষাক অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনায়।

উল্লেখযোগ্য যে সংগঠনটোৱে কালি বিটিচিৰ সমাগত নিৰ্বাচনৰ বাবে ভোটদাতাৰ তালিকা অসমীয়াৰ লগতে বড়ো ভাষাতো প্ৰকাশ কৰাৰ বাবে সদৌ বড়ো ছাত্ৰ সন্থা-এবছুৱে দাবী উত্থাপন কৰিছিল। অসম চৰকাৰী ভাষা সংশোধনী আইন ২০২০ অনুসৰি এই ব্যৱস্থা ল'বলৈ সংগঠনটোৱে দাবী জনায়। এখন সংবাদমেলত এবছুৰ সভাপতি দীপেন বড়োৱে এই আহ্বান জনায়। বিটিআৰৰ উপৰি বড়ো জনগোষ্ঠীৰ বসতিপ্ৰধান অঞ্চলসমূহৰ চৰকাৰী কাম-কাজৰ বড়ো ভাষা ব্যৱহাৰ কৰাটো নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সোণাপুৰত আজি পুৱা মানকাচৰ আৰক্ষীয়ে গুৱাহাটীৰ পৰা অহা নৈশ বাছ এখনৰ পৰা বুজন পৰিমাণৰ মাদকদ্ৰব্যসহ এজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে ধৃত সৰবৰাহকাৰীজনৰ পৰা ৫০ হাজাৰটা নিচাজাতীয় টেবলেট উদ্ধাৰ কৰে। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেণ টকবীয়ে আজি এখন সংবাদমেলত এই বিষয়ে উল্লেখ কৰি কয়, যে জব্দ কৰা মাদক দ্ৰব্যখিনিৰ মূল্য ১০ কোটি টকাৰো অধিক হ'ব।

**বাইট (হৰেণ টকবী)**

এই নিচাজাতীয় টেবলেটখিনি মানকাচৰৰ পৰা বাংলাদেশলৈ সৰবৰাহৰ চেষ্টা চলোৱা হৈছিল বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে যোৱা ছমাহত জিলাখনৰ কমেও ৪৫টা স্থানত আৰক্ষীয়ে মাদক দ্ৰব্য জব্দ কৰিছে।

ইপিনে, জাগীৰোড ৰে'ল ষ্টেচনৰ সমীপৰ পৰা আজি বৃহৎ পৰিমাণৰ মাদক দ্ৰব্যৰ লগতে এগৰাকী মহিলাক আটক কৰা হয়। মণিপুৰৰ ২৫ বছৰীয়া মহিলাগৰাকীয়ে ৯টা চাবোনৰ বাকচত হেৰ'ইন ভৰাই আনিছিল। জব্দ কৰা হেৰ'ইনখিনিৰ আন্তঃৰাষ্ট্ৰীয় বজাৰত মূল্য প্ৰায় ৫ কোটি টকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। মণিপুৰৰ পৰা নৈশ বাছেৰে আহি জাগীৰোডত উপস্থিত হোৱা মহিলাগৰাকীৰ গতিবিধিত সন্দেহ ওপজাত দণ্ডাধীশৰ উপস্থিতিত আৰক্ষীয়ে তালাচী চলাই মাদকদ্ৰব্যসমূহ জব্দ কৰে। উল্লেখযোগ্য যে এই সৰবৰাহ কাৰ্যত এটা বৃহৎ চক্ৰ জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰি আৰক্ষীয়ে মণিপুৰৰ মহিলাগৰাকীক সোধা-পোছা কৰি আছে।

০০০০০০

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই চাৰিদিনীয়া বৰাক উপত্যকা ভ্ৰমণসূচীৰ আজি অন্তিম দিনা কাছাৰ জিলাত কেইবাটাও গুৰুত্বপূৰ্ণ কৃষি প্ৰকল্প পৰিদৰ্শন কৰে। তেওঁ কৃষক, শ্ৰমিক আৰু প্ৰশাসনৰ মাজত সমন্বয়ৰ

ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্য সচিবগৰাকীয়ে আজি লক্ষীপুৰৰ মাৰ্কুলিন আনাৰস বাগিচা পৰিদৰ্শন কৰে। তেওঁ আনাৰস খেতিয়কসকলৰ সৈতেও এই খেতিৰ সম্ভাৱনা আৰু সম্ভাব্য সমস্যাসমূহৰ বিষয়ে আলোচনা কৰে। তেওঁ এগ্ৰ' অৰ্গেনিক প্ৰডাক্ট কোম্পানী লিমিটেডৰ কাৰ্যালয়ত উপস্থিত হৈ কোম্পানীটোৰ পৰিচালনা কমিটী আৰু কৃষক প্ৰতিনিধিসকলৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। তেওঁ জিলা প্ৰশাসন আৰু কৃষি বিভাগক জিলাখনৰ লগতে চুবুৰীয়া ৰাজ্য আৰু জিলাসমূহৰ উৎপাদন এক গোট কৰি সুসংগঠিত প্ৰসংস্কৰণ কেন্দ্ৰ স্থাপন কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্য সচিবগৰাকীয়ে শিলচৰৰ সমীপৱৰ্তী লালবাগ অঞ্চল পৰিদৰ্শন কৰি প্ৰস্তাৱিত দলু গ্ৰীন ফিল্ড বিমান বন্দৰৰ পুনৰ্বাসন প্ৰকল্পৰ বুজ লয়। এই প্ৰকল্পৰ অধীনত চাহ শ্ৰমিক পৰিয়ালৰ বাবে ১৭৩টা গৃহ নিৰ্মাণ কৰা হৈছে। এই প্ৰকল্পই তেওঁলোকৰ মৰ্যাদাপূৰ্ণ জীৱন নিশ্চিত কৰিব বুলি মুখ্য সচিবগৰাকীয়ে আশা প্ৰকাশ কৰে। তদুপৰি কাছাৰৰ আনাৰস খেতি আৰু কৃষি ভিত্তিক উদ্যোগৰ সম্ভাৱনাক সঠিক পৰিকল্পনাৰ জৰিয়তে সদ ব্যৱহাৰ কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ উল্লেখ কৰে।

oooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত চানমাৰিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজিত গুৱাহাটী শিশু মহোৎসৱৰ আজি পঞ্চম দিনা দন্ত সজাগতা চিকিৎসা শিবিৰ মুকলি কৰা হয়। আঞ্চলিক দন্ত চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপিকা ডাঃ ৰুবী কটকীৰ তত্বাৱধানত আয়োজিত শিবিৰত অভিভাৱকসকলে অংশগ্ৰহণ কৰে। ডাঃ কটকীয়ে অসম প্ৰকাশন পৰিষদৰ শিশু মহোৎসৱ আয়োজনৰ লগতে দাঁতৰ যতন লোৱাৰ ক্ষেত্ৰত সচেতনতা সৃষ্টিৰ বাবে গ্ৰহণ কৰা পদক্ষেপক প্ৰশংসা কৰে। তেওঁ কয়, যে শিশুসকলক নাটক, কবিতা আবৃত্তি আদি শিকিবলৈ উৎসাহিত কৰা হয় যদিও ইয়াৰ বাবে শুদ্ধ উচ্চাৰণ বা ধ্বনি প্ৰয়োজনীয়। দাঁতৰ গঠনৰ ওপৰতে উচ্চাৰণ বা ধ্বনি নিৰ্ভৰ কৰে বুলিও তেওঁ উল্লেখ কৰে। আজি মহোৎসৱৰ কাৰ্যসূচী পুৱা আৰতী হাজৰিকাৰ যোগাসন প্ৰশিক্ষণেৰে আৰম্ভ হয়। ইয়াৰ পাছতে নাট, মুকাভিনয়, সুকুমাৰ কলা আৰু সংগীতৰ কৰ্মশালা অনুষ্ঠিত হয়। বিয়লি ৩ বজাৰ পৰা শান্তনু সাহা পৰিচালিত **দা হিট উইকেট** নামৰ চুটি চলচ্চিত্ৰখন প্ৰদৰ্শন কৰা হয়। বিয়লি চাৰে ৪ বজাৰ পৰা অনুষ্ঠিত সাংস্কৃতিক কাৰ্যসূচী বিশিষ্ট সংগীতশিল্পী সূৰ্য গোস্বামীয়ে উদ্বোধন কৰে।

ooooo

নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী অসম প্ৰদেশ কংগ্ৰেছৰ কৰ্মীসভা আৰু সতীৰ্থ সন্মিলনত অংশ লোৱাৰ বাবে পৰহিলৈ অসমলৈ আহিব। নেতা দুয়োগৰাকীক আদৰাৰ বাবে প্ৰদেশ কংগ্ৰেছৰ সামাজিক আৰু তথ্য প্ৰযুক্তি বিভাগে বিশেষ কাৰ্যসূচী লৈছে বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে। দুয়োগৰাকী নেতাই দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ বাবে দলৰ নেতা-কৰ্মীৰ সৈতে আলোচনাত মিলিত হ'ব।

ooooo

লৰ্ডছ ক্ৰিকেট টেষ্টত ভাৰত নিশ্চিত পৰাজয়ৰ সন্মুখীন হৈছে। আজি খেলখনৰ পঞ্চম তথা অন্তিম দিনা ভাৰতে জয়লাভৰ দ্বিতীয় ইনিংছৰ ছটা উইকেট বাকী থকা অৱস্থাত ১৯৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰে যদিও কালি অপৰাজিত হৈ থকা কে এল ৰাহুলে মাত্ৰ ৬ ৰান যোগ দিয়াৰ পাছতে ৩৯ ৰানত ষ্ট'কছৰ বলত এল বি ডব্লিউ আউট হয়। ঋষভ পন্টো ৯ ৰানত জ'ফ্ৰা আৰ্চাৰৰ বলত আউট হয়। ৰবীন্দ্ৰ জাডেজাই নীতিশ কুমাৰ ৰেড্ডীৰ সৈতে লগলাগি অষ্টম উইকেটৰ যুটী ৩০ ৰান যোগ দিয়ে যদিও নীতিশ কুমাৰ ৰেড্ডী

ভোজন বিৰতিৰ ঠিক পূৰ্বে ১৩ ৰানত আউট হয়। আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৮টা উইকেটৰ বিনিময়ত ১৩৩ ৰান সংগ্ৰহ কৰিছে।

এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফীৰ বাবে অনুষ্ঠিত পাঁচখনীয় টেষ্ট শৃংখলাত ইংলেণ্ড ২-১ৰ অগ্ৰগতি লাভ কৰাটো প্ৰায় নিশ্চিত হৈছে। উল্লেখযোগ্য যে খেলখনৰ প্ৰথম ইনিংছত দুয়োটা দলেই ৩৮৭ ৰানকৈ সংগ্ৰহ কৰিছে। ইংলেণ্ডে দ্বিতীয় ইনিংছত সংগ্ৰহ কৰা ১৯২ ৰানক সফলতাৰে জয়ৰ দিশত লৈ যাব পৰাটো দলটোৰ বাবে বিশেষ কৃতিত্বৰ কথা বুলি বিবেচিত হ'ব।

ooooo

সমাপ্ত